**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-10-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

0000000

নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ উপৰি অসমৰ ৫ টাকে ধৰি দেশৰ ৪৮ বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। এই অনুসৰি অসমৰ ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত নিৰ্বাচন হ'ব। সেইদিনাখনেই ৱাইনাড সংসদীয় আসনখনৰ বাবেও উপ নিৰ্বাচন অনুষ্ঠিত হ'ব।

আনহাতে, মেঘালয়ৰ এখন আৰু চিকিমৰ দুখন বিধানসভা আসনৰ বাবে উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰত নন্দেৰ বিধানসভা আসনৰ বাবে ২০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, মহাৰাষ্ট্ৰত এটা পৰ্যায়ত ২০ নৱেম্বৰত আৰু ঝাৰখণ্ডত ২ টা পৰ্যায়ত ১৩ আৰু ২০ নৱেম্বৰত বিধানসভা নিৰ্বাচন অনুঠিত হ'ব। নতুন দিল্লীত আজি নিৰ্বাচনৰ সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, অহা ২২ অক্টোবৰত ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু অহা ২৯ অক্টোবৰ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পৰা যাব। ঝাৰখণ্ডত অহা ১৮ অক্টোবৰত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৫ অক্টোবৰ পৰ্যন্ত প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব পাৰিব। দ্বিতীয় পৰ্যায়ৰ বাবে ৰাজ্যখনত ২২ তাৰিখে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৯ অক্টোবৰলৈ মনোনয়ন দাখিল কৰিব পাৰিব।

0000000

আজি ধনৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰীলক্ষ্মী পূজা। ধন আৰু সৌভাগ্যৰ কামনাৰে ভক্তসকলে লক্ষ্মী দেৱীক আজি পূজা-অৰ্চনা আগবঢ়াব। পঞ্জিকা অনুসৰি আজি নিশা ৮ বাজি ৪০ মিনিটৰ পৰা লক্ষ্মী পূৰ্ণিমা তিথি আৰম্ভ হৈ কাইলৈ বিয়লি ৪ বাজি ৫৫ মিনিটত সমাপ্ত হ'ব। পূৰ্ণিমাৰ ছন্দ সন্ধিয়া ৫ বাজি ৫ মিনিটত উদিত হ'ব বুলি পঞ্জিকাত উল্লেখ কৰা হৈছে। প্ৰবাদ অনুসৰি লক্ষ্মী পূজাৰ দিনটোত দেৱী ওচৰত ভোগ-প্ৰসাদ সহ প্ৰাৰ্থনা কৰিলে জীৱনলৈ সমৃদ্ধি নামি আহে। ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীৰ বজাৰসমূহতো লক্ষ্মী দেৱীৰ মূৰ্তিৰে ভৰি পৰিছে। সৰু-বৰ মূৰ্তিৰ লগতে কলপুলি, দূবৰি, ধান থোক আৰু ফুল আদিৰে বজাৰ উপচি পৰিছে। প্ৰতিবছৰৰ দৰে এইবাৰো ৰাজ্যৰ প্ৰান্তে প্ৰান্তে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। বৰপেটা জিলাৰ বিভিন্ন স্থানত অৱস্থিত লক্ষ্মী মন্দিৰত ধন আৰু ঐশ্বৰ্যৰ দেৱী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। ঠাইবিশেষে ৩ৰ পৰা ৭দিনীয়া কাৰ্যসূচীৰে এই পূজাৰ আয়োজন কৰা হৈছে। পূজাৰ পৰম্পৰাগত ৰীতি-নীতিৰ লগতে বিভিন্ন প্ৰতিযোগিতা, নাট প্ৰদৰ্শন, মেলা আদি অনুষ্ঠিত হ'ব। জিলাখনৰ কেওটকুছিত সাদিনীয়াকৈ লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। আনহাতে হাউলীৰ ন-মাটি সত্ৰ, মৌটুপুৰী, হালাপাগুৰি আদিতো লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে।

চিৰাং জিলাতো উলহ-মালহেৰে শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত চিৰাং জিলাৰ সংবাদদাতা কুঞ্জ মোহন ৰায়ে এইদৰে কয়-

ভইচ কাষ্ট

০০০০০০০

তিনিচুকীয়া জিলাৰ বাৰেকুৰিত অহা ২৩ আৰু ২৪ অক্টোবৰত দুদিনীয়াকৈ বিশ্ব হলৌ দিৱস উদযাপন কৰা হ'ব। এই দিৱস উদযাপন সন্দৰ্ভত তিনিচুকীয়া জিলা আয়ুক্তৰ সভাকক্ষত কালি এখন সভা অনুষ্ঠিত হয়। সভাত বিধায়ক বলিন চেতিয়া, অতিৰিক্ত জিলা আয়ুক্তৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

**ভইচ**

০০০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কালি জিলা আয়ুক্তৰ সভাপতিত্বত জিলা উন্নয়ন সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। সভাত জিলাখনৰ কৃষি, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, নিয়োগ বিনিময় কেন্দ্ৰ, মীন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, পৰিবহণ আৰু জনস্বাস্থ্য কাৰিকৰী, সমাজ কল্যাণ আদি বিভিন্ন বিভাগৰ কাম-কাজসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। সভাত আয়ুক্তগৰাকীয়ে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজসমূহ নিয়াৰিকৈ আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল বাংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত আজি অনুষ্ঠিত হ'ব। খেলখন স্থানীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত শীৰ্ষত আছে আৰু এই শৃংখলাত জয়ী হ'লে একেৰাহে তৃতীয়বাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ফাইনেলত প্ৰবেশ কৰাৰ সম্ভাৱনা প্ৰৱল হৈ উঠিব। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে ২০১২-১৩ খেলবৰ্ষৰ পাছত দেশৰ মাটিত একেৰাহে ১৯ সংখ্যক শৃংখলা জয়ৰ লক্ষ্যৰে শৃংখলাত অৱতীৰ্ণ হ'ব।

শৃংখলাৰ দ্বিতীয়খন খেল ২৪ৰ পৰা ২৮ অক্টোবৰলৈ পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। তৃতীয় তথা অন্তিমখন খেল ১ৰ পৰা ৫ নৱেম্বৰলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০০০০

**সমাপ্ত**